# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 22-12-2025
**Time :** 0900 Hrs.

## *Assamese Morning Bulletin*
## HEADLINES

১। অসমক আহোম ৰাজত্বৰ সোণোৱালী দিনবোৰৰ দৰে শক্তিশালী কৰি তোলা হ'ব বুলি প্ৰধানমন্ত্ৰীৰ প্ৰতিশ্ৰুতি।

২। ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ ৩ হাজাৰ ৪২০ গৰাকী প্ৰাৰ্থীক আজি নিযুক্তি পত্ৰ প্ৰদান।

৩। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত কামৰূপ মহানগৰ জিলা আৰু ছেছন ন্যায়াধীশৰ আদালতত আজি প্ৰথমটো শুনানি।

৪। ৰাজ্যৰ ৮১৮গৰাকী লেখক-লেখিকালৈ যুব লেখক সন্মান।

*আৰু*

৫। বিশাখাপট্টনমত অনুষ্ঠিত মহিলা টি-২০ ক্ৰিকেটৰ প্ৰথমখন খেলত যোৱা নিশা শ্ৰীলংকাৰ বিৰুদ্ধে ভাৰতৰ ৮ উইকেটত জয়লাভ।

oooooo

অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলত উন্নয়নৰ নতুন যুগৰ সুচনা হৈছে আৰু অসমৰ উন্নয়নৰ যাত্ৰাৰ এয়া আৰম্ভণিহে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। নামৰূপ সাৰ কাৰখানাত কালি নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে এইদৰে কয়। তেওঁ অসমক আহোম ৰাজত্বৰ সোণোৱালী দিনবোৰৰ দৰে শক্তিশালী কৰি তোলা হ'ব বুলি উল্লেখ কৰে। নামৰূপৰ নতুন এম'নিয়া ইউৰিয়া প্ৰকল্পৰ বাবে কৃষক ৰাইজক অভিনন্দন জনাই প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে বিকশিত ভাৰতৰ লক্ষ্য প্ৰাপ্তিৰ ক্ষেত্ৰত অন্নদাতাসকলৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। তেওঁ কয়, যে নামৰূপত নিৰ্মাণ হ'বলগীয়া এই প্ৰকল্পত বছৰি ১২ লাখ মেট্ৰিক টনতকৈ অধিক সাৰ উৎপাদন কৰা হ'ব। প্ৰধানমন্ত্ৰী মোদীয়ে ভাষণ প্ৰসংগত অসম উত্তৰ-পূব ভাৰতৰ বিকাশৰ ইঞ্জিন হিচাপে পৰিগণিত হ'ব বুলি উল্লেখ কৰি নামৰূপৰ নতুন প্ৰকল্পই এই পৰিৱৰ্তনকে সূচায় বুলি মন্তব্য কৰে।

*(বাইট ঃ মোদী)*

অনুষ্ঠানত অংশ লৈ দিয়া ভাষণত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৰাজ্যখনৰ অৰ্থনীতি উন্নয়নৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা প্ৰচেষ্টাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জনায়।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ ভাষণত অসমে এতিয়া বিকাশ আৰু উন্নয়নৰ নতুন আকাশ চুবলৈ সক্ষম হৈছে বুলি মন্তব্য কৰে। তেওঁ লগতে কয় যে বিকাশমুখী কাম-কাজ আৰু অস্তিত্ব ৰক্ষাৰ যুঁজেৰে

চৰকাৰে ৰাজ্যখনক ভৱিষ্যৎ প্ৰজন্মৰ বাবে সুৰক্ষিত কৰিবলৈ প্ৰয়াস কৰিছে। প্ৰধানমন্ত্ৰীৰ নেতৃত্বত অসমক দেশৰ শ্ৰেষ্ঠ পাঁচখন ৰাজ্যৰ ভিতৰত অন্তৰ্ভুক্ত কৰাৰ বাবে ৰাজ্য চৰকাৰে কাম কৰিছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

*(বাইট ঃ ড০ শৰ্মা)*

২০৩০ চনৰ ভিতৰত কাৰ্যক্ষম হ'বলগীয়া এই প্ৰকল্পই ৰাজ্যখনক ঔদ্যোগীক দিশত যথেষ্ট লাভান্বিত কৰিব বুলি আশা কৰা হৈছে।

০০০০০০

ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ ৩ হাজাৰ ৪২০ গৰাকী প্ৰাৰ্থীক আজি নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত এই নিযুক্তি পত্ৰ প্ৰদান অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে মন্ত্ৰী অশোক সিংহল আৰু প্ৰশান্ত ফুকন উপস্থিত থাকিব। অনুষ্ঠানত চিকিৎসা শিক্ষা আৰু গৱেষণা সঞ্চালকালয়ৰ অধীনত এহেজাৰ ৯৯৮ গৰাকী, স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ অধীনত ৮২৮ গৰাকী, স্বাস্থ্যসেৱা (পৰিয়াল কল্যাণ) সঞ্চালকালয়ৰ ৫৯২ গৰাকী আৰু আয়ুষ সঞ্চালকালয়ৰ অধীনত দুগৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব।

উল্লেখযোগ্য যে, আজি নিযুক্তি লাভ কৰিবলগীয়া প্ৰাৰ্থীসকলৰ সৈতে সৰ্বমুঠ ১ লাখ ৪৫ হাজাৰ ৪৪৯ গৰাকী ব্যক্তিয়ে বৰ্তমানলৈকে নিযুক্তি লাভ কৰিছে।

০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি লোকসেৱা ভৱনৰ সভাকক্ষত উচ্চ ক্ষমতাসম্পন্ন বিনিয়োগ সমিতিৰ এখন বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত বিনিয়োগৰ কেইবাটাও প্ৰস্তাৱৰ পৰ্যালোচনা কৰা হয়। ড০ শৰ্মাই লগতে বিনিয়োগকাৰীসকলৰ প্ৰস্তাৱসমূহ যাতে খৰতকীয়াকৈ বাস্তবায়িত হোৱাৰ দিশত আগবাঢ়ে তাৰ বাবে বিনিয়োগকাৰীসকলৰ সমস্যা আৰু প্ৰস্তাৱৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে এই সন্দৰ্ভত সংশ্লিষ্ট বিভাগসমূহক যাৱতীয় নিৰ্দেশনা প্ৰদান কৰে।

০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত কামৰূপ মহানগৰ জিলা আৰু ছেছন ন্যায়াধীশৰ আদালতত আজি প্ৰথমটো শুনানি গ্ৰহণ কৰা হ'ব। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি বাক্সা আৰু হাফলঙৰ কাৰাগাৰত বন্দী হৈ থকা সাতজন অভিযুক্তক ভাৰ্চুৱেল ব্যৱস্থাৰে আদালতত হাজিৰ কৰোৱা হ'ব। উল্লেখযোগ্য যে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাত হত্যা সম্পৰ্কীয় ধাৰা সন্নিৱিষ্ট হৈ থকাৰ পৰিপ্ৰেক্ষিতত মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে যোৱা ১৬ ডিচেম্বৰত সমগ্ৰ বিষয়টো বিচাৰৰ বাবে ছেছন ন্যায়াধীশৰ আদালতলৈ প্ৰেৰণ কৰে।

০০০০০০

অসমীয়া, বাংলা, বড়ো ভাষাৰ লগতে মিচিং, কাৰ্বি, নেপালীকে ধৰি অসমৰ আন জনগোষ্ঠীয় ভাষাত সাহিত্য চৰ্চা কৰা ৮১৮গৰাকী ৪০ বছৰ অনুৰ্দ্ধ লেখক-লেখিকাক যুৱ লেখক সন্মানৰ বাবে বাছনি কৰা হৈছে। নিৰ্বাচিত লেখক-লেখিকাসকলক অহা ২৪ ডিচেম্বৰত খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত অসম গ্ৰন্থমেলা প্ৰাঙ্গনত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সম্বৰ্দ্ধনা জনাব। সৃষ্টিশীল সাহিত্য চৰ্চাৰ বাবে লেখক-লেখিকাসকলক অনুপ্ৰেৰণা যোগোৱাৰ উদ্দেশ্যে তেওঁলোকক ২৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব।

oooooo

অসম আৰক্ষী আৰু সীমান্ত সুৰক্ষা বাহিনীৰ যুটীয়া প্ৰচেষ্টাত নগাঁও আৰু কাৰ্বি আংলং জিলাৰ পৰা ১৯ জন অবৈধ প্ৰৱেশকাৰীক নিজ দেশলৈ ওভতাই পঠোৱা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰিছে।

ইপিনে বিদেশী ন্যায়াধীকৰণে বিদেশী বুলি ঘোষণা কৰা হোজাই আৰু বিশ্বনাথ জিলাৰ দুগৰাকী মহিলাসহ তিনিজনক আৰক্ষীয়ে গোৱালপাৰাৰ ডিটেনচন কেম্পৰ পৰা লৈ গৈ বি এছ্ এফক হস্তান্তৰ কৰে। জিলা প্ৰশাসনে যোৱা শনিবাৰে এটা নিৰ্দেশ যোগে  এই লোক কেইজনক ২৪ ঘণ্টাৰ ভিতৰত ভাৰত ত্যাগ কৰিবলৈ নিৰ্দেশ দিছিল।

oooooo

পশ্চিম কাৰ্বি আংলং জিলাত কালি তিনি হাজাৰ ২০০টা পৰিয়ালক ভূমি পট্টা বিতৰণ কৰা হয়। খিলঞ্জীয়া লোকৰ ভূমিৰ অধিকাৰ সুৰক্ষিত কৰাৰ লক্ষ্যৰে আৰম্ভ কৰা পুৰ্থিমি আকেমাং আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ অধীনত কাৰ্বি স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে এই পৰিয়ালসমূহক ভূমিপট্টা বিতৰণ কৰে। এই আঁচনিৰ অধীনত অনাগত সময়ত মুঠ ২ লাখ পৰিয়ালক ভূমি পট্টা বিতৰণ কৰা হ'ব বুলি শ্ৰী ৰংহাঙে প্ৰকাশ কৰে।

*(বাইট ঃ ৰংহাং)*

oooooo

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ জন্মস্থান বটদ্ৰৱা থানৰ উন্নয়ন আৰু সৌন্দৰ্যবৰ্ধনৰ উদ্দেশ্যে নিৰ্মীয়মান বটদ্ৰৱা সাংস্কৃতিক প্ৰকল্প গৃহমন্ত্ৰী অমিত শ্বাহে ২৯ ডিচেম্বৰত উদ্বোধন কৰিব। নিৰ্মাণকাৰ্য  প্ৰায় সম্পূৰ্ণ হৈ উঠা প্ৰকল্পটো উদ্বোধন কৰি গৃহমন্ত্ৰীগৰাকীয়ে এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে, কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ২০২১ চনৰ ২৫ ফেব্ৰুৱাৰীত প্ৰকল্পটোৰ আধাৰশিলা স্থাপন কৰিছিল। এই প্ৰকল্পৰ জৰিয়তে বটদ্ৰৱা থান কলা-সংস্কৃতি আৰু আধ্যাত্মিকতাৰ অন্যতম প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি উঠাৰ লগতে পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দুলৈ ৰূপান্তৰ হ'ব বুলি আশা প্ৰকাশ কৰা হৈছে।

oooooo

কেন্দ্ৰীয় চৰকাৰে চলিত বৰ্ষত দ্বিতীয়বাৰলৈ ৰে'লৰ টিকটৰ মাচুল বৃদ্ধিৰ সিদ্ধান্ত লৈছে। অহা ২৬ ডিচেম্বৰৰ পৰা দূৰনীবটীয়া যাত্ৰীবাহী ৰে'লৰ ভাৰাৰ নতুন নিৰিখ কাৰ্যকৰী হ'ব বুলি ৰে'ল মন্ত্ৰালয়ৰ সূত্ৰত প্ৰকাশ পাইছে। ইয়াৰ পূৰ্বে জুলাইত দূৰণীবটীয়া মেইল আৰু এক্সপ্ৰেছৰ ভাৰা বৃদ্ধি কৰা হৈছিল। প্ৰতি কিলোমিটাৰৰ ভিত্তিত সংৰক্ষিত আৰু অসংৰক্ষিত টিকটৰ ভাৰা বৃদ্ধি হ'ব। দূৰণীবটীয়া ৰে'লৰ সাধাৰণ শ্ৰেণীৰ ক্ষেত্ৰত প্ৰথম ২১৫ কিলোমিটাৰ পৰ্যন্ত ভাৰাৰ কোনো সালসলনি নহয়।

oooooo

মাদকদ্ৰব্যৰ বিৰুদ্ধে অসম আৰক্ষীয়ে অভিযান তীব্ৰতৰ কৰি তুলিছে। ৰাজ্যৰ বিভিন্ন অঞ্চলত প্ৰায় প্ৰতিদিনে আৰক্ষীয়ে বুজন পৰিমাণৰ মাদকদ্ৰব্য জব্দ কৰাৰ লগতে সৰবৰাহকাৰীক আটক কৰিছে। কাছাৰ আৰক্ষীয়ে যোৱা নিশা অভিযান চলাই ৫১৯ গ্ৰাম হেৰ'ইনসহ চাৰিজন সৰবৰাহকাৰীক আটক কৰে। আৰক্ষীয়ে লোককেইজনক জেৰা অব্যাহত ৰাখিছে।

০০০০০০

অসম নাট্য সন্মিলনে আগবঢ়োৱা **অসম নাট্য সন্মিলন বঁটা** এইবাৰ বিশিষ্ট নাট্যকাৰ, পৰিচালক, অভিনেতা তথা বোলছবি নিৰ্মাতা হেমচন্দ্ৰ বৰালৈ আগবঢ়োৱা হৈছে। অসম নাট্য সন্মিলনৰ কৰ্ণধাৰা সমিতিৰ এখন সভাত কালি এই কথা সদৰী কৰা হয়। সন্মিলনীৰ তৰফৰ পৰা জানিবলৈ দিয়া অনুসৰি বিশিষ্ট নাট্যকাৰ, পৰিচালক, অভিনেতা সপোনটি বৰদলৈক এইবাৰ মহেন্দ্ৰ বৰঠাকুৰ বঁটা প্ৰদান কৰা হ'ব। একেদৰে বিশিষ্ট নাট সমালোচক অতুল মজুমদাৰক সত্যপ্ৰসাদ বৰুৱা নাট্য সমালোচক বঁটা প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে, সদ্যপ্ৰয়াত নাজিম আহমেদৰ সোঁৱৰণত এইবাৰ নাট্য সংগঠক বঁটা প্ৰথমবাৰৰ বাবে প্ৰদান কৰা হ'ব। এই বঁটা এইবাৰ অসম নাট্য সন্মিলনৰ নাট্যকৰ্মী তথা আজীৱন সদস্য বসন্ত বৰ্মনলৈ আগবঢ়োৱা হৈছে। অহা ১৮ জানুৱাৰীৰ পৰা ২২ জানুৱাৰীলৈ অনুষ্ঠিত হ'বলগীয়া অসম নাট্য সন্মিলনৰ ৬৪ সংখ্যক দ্বি-বাৰ্ষিক কলিয়াবৰ অধিৱেশনত এই বঁটাসমূহ প্ৰদান কৰা হ'ব।

০০০০০০

অৰুণাচল প্ৰদেশৰ পঞ্চায়ত নিৰ্বাচনত শাসনাধিষ্ঠিত বিজেপিয়ে বৃহৎ জয় সাব্যস্ত কৰিছে। যোৱা ১৫ ডিচেম্বৰত অনুষ্ঠিত নিৰ্বাচনত জিলা পৰিষদ আৰু গাঁও পঞ্চায়তৰ গৰিষ্ঠসংখ্যক আসন বিজেপিয়ে লাভ কৰিছে। দলটোৱে লগতে ইটানগৰ পৌৰ নিগমৰ নিৰ্বাচনত ২০ টা ৱাৰ্ডৰ ভিতৰত ১৪ টাতে জয়লাভ কৰিছে। অৱশ্যে পাচিঘাট পৌৰ পৰিষদত আঞ্চলিক দল পিপলছ্ পাৰ্টী অৰুণাচলে আঠটা ৱাৰ্ডৰ পাঁচটা জয়লাভ কৰাৰ বিপৰীতে বিজেপিয়ে এটা আৰু নিৰ্দলীয় প্ৰাৰ্থীয়ে এটা ৱাৰ্ডত জয়লাভ কৰে। বিৰোধী দল কংগ্ৰেছে এখনো আসন লাভ কৰিবলৈ সমৰ্থ নহ'ল।

০০০০০০

বিশাখাপট্টনমত অনুষ্ঠিত মহিলা টি-২০ ক্ৰিকেটৰ পাঁচখনীয়া শৃংখলাৰ প্ৰথমখন খেলত যোৱা নিশা ভাৰতে শ্ৰীলংকাক ৮ উইকেটত পৰাস্ত কৰে। ভাৰতে ১২২ ৰানৰ বিজয়লক্ষ্যৰে খেল আৰম্ভ কৰি ১৪ অভাৰ ৪টা বলতে দুটা উইকেটৰ বিনিময়ত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। দলৰ হৈ জেমিমা ৰ'ড্ৰিক্সে সৰ্বাধিক ৬৯ আৰু স্মৃতি মান্ধানাই ২৫ ৰান কৰে। শ্ৰীলংকাৰ কৰা কাবিন্দি আৰু ইনুকা ৰাণাৱেৰাই এটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে শ্ৰীলংকাই  প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১২১ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ ৰিছমি গুণাৰত্নে সৰ্বাধিক ৩৯ ৰান কৰে। ভাৰতৰ হৈ ক্ৰান্তি গৌড়, দীপ্তি শৰ্মা আৰু নাল্লাপুৰেড্ডী চাৰানীয়ে এটাকৈ উইকেট লাভ কৰে। ভাৰতৰ জেমিমা ৰ'ড্ৰিক্সক প্লেয়াৰ অব দ্যা মেচ ঘোষণা কৰা হয়। হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটোৱে মহিলাৰ টি-২০ বিশ্বকাপৰ প্ৰস্তুতিৰ অংশ হিচাপে শ্ৰীলংকাৰ বিৰুদ্ধে এই পাঁচখনীয়া শৃংখলাত অৱতীৰ্ণ হৈছে। শৃংখলাটোৰ দ্বিতীয়খন খেল কাইলৈ বিশাখাপট্টনমত অনুষ্ঠিত হ'ব।

০০০০০০

অসমীয়া চলচ্চিত্ৰ জগতৰ এসময়ৰ জনপ্ৰিয় অভিনেত্ৰী ৰঞ্জনা শৰ্মা বৰদলৈৰ যোৱানিশা ডিব্ৰুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮০ বছৰ। ককাদেউতা নাতি আৰু হাতী, মণিৰাম দেৱান, মৰম তৃষ্ণা, লটি-ঘটি, প্ৰতিধবনি, ৰতন লাল, সোণমাই আদি বহুকেইখন জনপ্ৰিয়

অসমীয়া বোলছবিত বলিষ্ঠ অভিনয়েৰে তেওঁ দৰ্শকৰ মন জয় কৰিবলৈ সমৰ্থ হৈছিল। শিল্পীগৰাকীৰ মৃত্যুত বিভিন্ন দল-সংগঠন তথা ব্যক্তিয়ে শোক প্ৰকাশ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে।

০০০০০০

## *News Paper Review*

লুইতৰ পাৰত প্ৰধানমন্ত্ৰী পৰীক্ষা পে চৰ্চা কাৰ্যসূচী, আইনত পৰিণত হ'ল জি ৰাম জি বিধেয়ক, ৮১৮ গৰাকীলৈ ৰাজ্য চৰকাৰৰ যুৱ লেখক সন্মান প্ৰদান আদি বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠা অধিকাৰ কৰিছে।

বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে এম জি এনৰেগাৰ নাম সলনি কৰি ভি বি জি ৰামজি কৰাৰ প্ৰতিবাদত কালি কংগ্ৰেছে জিলাই জিলাই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা এটা বাতৰি অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

কালি নামৰৰূপত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উপস্থিত থকা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰীগৰাকীৰ নেতৃত্বত অসমীয়াই আকাশ স্পৰ্শ কৰা বুলি প্ৰকাশ কৰিছে। এই বাতৰি দৈনিক অসম কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন কাকতত ৰে'লৰ খুন্দাত কৰুণভাৱে মৃত্যুক সাৱটি লোৱা অসমৰ ৮ টা হাতী সন্দৰ্ভত কেন্দ্ৰৰ প্ৰতিবেদন বিচৰাৰ বাতৰি প্ৰকাশ কৰিছে।

দ্যা ছেণ্টিনেল কাকতত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নামৰূপত ১১ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ এম'নিয়া ইউৰিয়া সাৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা বাতৰিটো প্ৰকাশ পাইছে। এই বাতৰি অন্যান্য কাকতেও প্ৰকাশ কৰিছে।

দৈনিক জনমভূমি কাকতে বোকাখাটত এটা শোকাবহ পথ দুৰ্ঘটনাত তিনিগৰাকী যুৱক-যুৱতী নিহত হোৱাৰ বাতৰি প্ৰকাশ কৰিছে।

বাংলাদেশৰ শেহতীয়া ঘটনা তথা সংখ্যালঘু নিৰ্যাতনৰ পৰিপ্ৰেক্ষিতত অনিৰ্দিষ্ট কাললৈ ছত্ৰগ্ৰামৰ ভাৰতীয় ভিছা কেন্দ্ৰ বন্ধ কৰি দিয়া বাতৰিটো দৈনিক অগ্ৰদূত কাকতৰ লগতে অন্যান্য কাকতেও প্ৰকাশ কৰিছে।

অসমীয়া খবৰ কাকতত গ্ৰাম্য নিয়োগ নীতিত বৃহৎ পৰিৱৰ্তনৰ বাবে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ভি বি জি ৰামজি বিধেয়কত অনুমোদন জনোৱাৰ বাতৰি প্ৰকাশ কৰিছে।

অহা ২৬ ডিচেম্বৰৰ পৰা ৰে'ল ভাৰা বৃদ্ধি পাব। এই সন্দৰ্ভত ভাৰতীয় ৰে'লৰে ভাৰাৰ নতুন নিৰিখ প্ৰকাশ কৰিছে। এই বাতৰি নিয়মীয়া বাৰ্তা কাকতৰ লগতে অসমীয়া প্ৰতিদিন কাকতেও প্ৰকাশ কৰিছে।

সামাজিক মাধ্যমত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ চৰিত্ৰ হননৰ চেষ্টা সন্দৰ্ভত পৰিয়ালৰ সদস্যসকল ক্ষুব্ধ হোৱাৰ এটা বাতৰি আমাৰ অসম কাকতৰ লগতে অন্যান্য কাকতেও প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলীয়ে আৱৰি থাকিব। অৱশ্যে পাছলৈ বতৰ ফৰকাল হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ

তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মণিপুৰ, মিজোৰাম, মেঘালয়ক অৰুণাচল প্ৰদেশ, নাগালেণ্ড, ত্ৰিপুৰাত সামগ্ৰীকভাৱে বতৰ ফৰকাল হৈ থাকিব যদিও ঠাই বিশেষে ঘন কুঁৱলী পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**